**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিগত ১১ বছৰত অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৫ লাখ ৫০ হাজাৰ কোটি টকাৰো অধিক ধন আৱণ্টন কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীৰ প্ৰকাশ।

২। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি ২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰদান কাৰ্যসূচী।

৩। মহা শিৱৰাত্ৰি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা।

৪। সংস্কৃতিৰ বিনিময় ভিন্ন দেশৰ জনসাধাৰণৰ মাজত যোগ সূত্ৰ বুলি কলম্বোৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক ড০ অংকুৰণ দত্তৰ **দৃষ্টিপাতত** প্ৰকাশ। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত আৰু পাকিস্তানৰ মুখামুখি।

০০০০০০

দিনজোৰা ভ্ৰমণসূচীৰে কালি অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিব্ৰুগড় জিলাৰ মৰাণৰ ঘাইপথত জৰুৰীকালীন অৱস্থাত বিমান উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা অৱতৰণক্ষেত্ৰ মুকলি কৰে। তেওঁ লগতে ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানৰ অৱতৰণ আৰু উৰণ কৌশল প্ৰত্যক্ষ কৰে। প্ৰায় ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ অৱতৰণ ক্ষেত্ৰ উত্তৰ-পূবৰ প্ৰথমখন জৰুৰীকালীন ক্ষেত্ৰ। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব।

প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰে। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। কামৰূপ জিলাৰ আমিনগাঁৱত কালি উত্তৰ পূবৰ প্ৰথম আৰু দেশৰ পঞ্চমটো ডাটা চেণ্টাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। এই ডাটা চেণ্টাৰত দেশৰ সকলো দৰকাৰী তথ্য সুৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে।

ইয়াৰ পাছতে খানাপাৰত আয়োজিত দলৰ বুথ বিজয় সংকল্প সভাত ভাষণ দি প্ৰদানমন্ত্ৰীয়ে কয় যে বিগত ১১ বছৰত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শ্ৰীমোদীয়ে কয় যে যোৱা ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলৰ বাবে ৫ লাখ ৫০ হাজাৰ কোটি অধিক টকা আবণ্টন কৰা হৈছে আৰু অঞ্চলটোত এই সময়ছোৱাত আন্তঃগাথনি খণ্ডত অভূতপূৰ্ব উন্নয়ন পৰিলক্ষিত হৈছে।

**(বাইট) -পি এম**

০০০০০০

২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটাসমূহ আজি বিয়লি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা গাম্ভিয্যপূৰ্ণ অনুষ্ঠানত প্ৰদান কৰা হ'ব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মুখ্য অতিথি হিচাপে উপস্থিত

থাকিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বৰাইয়ো অনুষ্ঠানত ভাগ ল'ব। এইবেলি **বেলকনিত ভগৱান** ছবিখনে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালক বঁটা লাভ কৰিছে। **শব্দ নিশব্দ কোলাহল** ছবিখনক ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে ঘোষণা কৰা হৈছে। **ধনজিৎ দাসে** ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰিছে। **শংকু ৰাজকোঁৱৰ** আৰু **জুবলি বৰুৱা**লৈ ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা আৰু **ৰাজদ্বীপ**লৈ ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা আগবঢ়োৱা হৈছে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা **হৰিশ খান্না** আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা **মন্দাকিনী গোস্বামী**য়ে লাভ কৰিছে। এই বঁটাত থাকিব এখন প্ৰশস্তি পত্ৰৰ লগতে ৫০ হাজাৰ টকাৰ পৰা ২ লাখ টকাকৈ আৰ্থিক সাহাৰ্য্য।

oooooo

বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত আহিবলগীয়া দলটোৱে ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে পৰহিলৈ বিভিন্ন ৰাজনৈতিক দলৰ সৈতে নিৰ্বাচনৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। দলটোৱে ১৮ ফেব্ৰুৱাৰীত ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। সেইদিনা বিয়লি দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

oooooo

মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত আজি যথা ৰীতি-নীতিৰে আশুতোষৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু কালিৰে পৰা পাঁচদিনীয়া মেলাৰ আয়োজন কৰা হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে শিৱদৌলত আজি পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটিছে। জিলা প্ৰশাসনে অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি পূজা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৃহৎ মেলাৰ আয়োজন কৰা হৈছে। মেলাত ৫০০ৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানে অংশ লৈছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। শিৱৰাত্ৰিৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে। শিৱসাগৰত শিৱৰাত্ৰি পালন সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা মুজাহিদ আলী

**ভইচকাষ্ট (মুজাহিদ আলী)**

তিনিচুকীয়া নগৰৰ মাকুম পথত থকা শিৱ থান, বৰডুবিৰ টিলিঙা মন্দিৰত শিৱৰাত্ৰিৰ পূজাৰ আয়োজন কৰা হৈছে।

ডিব্ৰুগড় জিলাতো শিৱৰাত্ৰি পূজা ধৰ্মীয় ৰীতি-নীতিৰে আৰম্ভ হৈছে। ডিব্ৰুগড় মহানগৰৰ পাঁচআলিত থকা শিৱ মন্দিৰ, চৌকিডিঙ্গি শ্মশানত থকা শিৱ মন্দিৰকে ধৰি বিভিন্ন অঞ্চলত শিৱৰাত্ৰি পালনৰ বাতৰি পোৱা গৈছে।

নগাঁও জিলাৰ সাৰ্বজনীন শিৱমন্দিৰতো শিৱৰাত্ৰি পালন কৰা হৈছে। নগাঁও চহৰৰ মালভোগবাবা আশ্ৰম শিৱমন্দিৰ, কলংপাৰ শিৱমন্দিৰৰ উপৰি অন্যান্য স্থানত শিৱৰাত্ৰিৰ পূজাৰ আয়োজন কৰা হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত থকা শিৱ মন্দিৰসমূহত আজি পুৱাৰে পৰা বন্তি, ধূপ-ধূনা আৰু নৈবদ্যৰে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হয়। গুৱাহাটী মহানগৰীৰ ঐতিহাসিক শ্ৰীশ্ৰীলংকেশ্বৰ ধামত আজি শিৱ চতুদৰ্শী তিথিৰ সৈতে সংগতি ৰাখি মহাশিৱৰাত্ৰি পূজা আৰু মহামেলা উৎসৱৰ আয়োজন কৰা হৈছে।

শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি বৰাক উপত্যকাৰ প্ৰাচীন শৈৱতীৰ্থ ভূৱন তীৰ্থক্ষেত্ৰত ভূৱন মেলা আৰম্ভ হৈছে। শিৱৰাত্ৰি উপলক্ষে লাখ লাখ তীৰ্থযাত্ৰীয়ে ভূৱন পাহাৰ বগাবলৈ আৰম্ভ কৰিছে। কাছাৰ জিলা প্ৰশাসনে তীৰ্থযাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে। আৰক্ষী-প্ৰশাসনৰ উদ্যোগত এটা অস্থায়ী নিয়ন্ত্ৰণ কক্ষ মুকলি কৰা হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত কালিৰে পৰা বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হৈছে। কালি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱপূজা চলি আহিছে।

বজালী জিলাৰ কালদিয়া নদীৰ পাৰত থকা প্ৰায় ২১৩ বছৰ পুৰণি বটবৃক্ষৰ তলত থকা শিৱ থানত অঞ্চলটোৰ ৰাইজে শিৱৰাত্ৰি উপলক্ষে পূজা-অৰ্চনাৰ আয়োজন কৰিছে।

০০০০০০

ভাষা, সংস্কৃতি আৰু ঐতিহ্যৰ বিনিময়ে ভিন্ন দেশৰ জনসাধৰণৰ মাজত সমন্বয়ৰ শক্তিশালী সেতু গঢ়িব পাৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ কালিৰ দৃষ্টিপাত অনুষ্ঠানত শ্ৰীলংকাৰ কলম্বোৰ ভাৰতীয় উচ্চায়োগত থকা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ডঃ অংকুৰণ দত্তই এইবিষয়ে প্ৰকাশ কৰে। ডঃ দত্তই শ্ৰীলংকাত থকাৰ সময়ছোৱাত অসমৰ বিহু, শংকৰ জন্মোৎসৱ, যোগ দিৱসকে ধৰি বিভিন্ন কাৰ্যসূচী উদযাপনৰ বিষয়ে উল্লেখ কৰে। তেওঁ গুৰুদুজনাৰ অমূল্য সৃষ্টি বৰগীতক সিংহলী ভাষালৈ কৰা অনুবাদৰ অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰে। তদুপৰি দেশখনত আয়ুৰ্বেদ বিভাগৰ সহযোগত একেদিনাই ১১৯ টা অনুষ্ঠান আয়োজনৰ অভিজ্ঞতাৰ বিষয়ে তেওঁ জানিবলৈ দিয়ে।

বাইট

ডঃ দত্তই শ্ৰীলংকাৰ অৰ্থনৈতিক সংকটৰ পাছত দেখা ৰাজনৈতিক উত্থানৰ ছবি আৰু তেওঁলোকৰ জীৱনচৰ্যাৰ বিষয়ে আলোকপাত কৰে। ইয়াৰ পূৰ্বে তেতিয়াৰ কটন কলেজৰ পৰা বিশ্বভাৰতীত অধ্যয়ন কৰিবলৈ যোৱাৰ পাছতে অসমৰ সংবাদ মাধ্যমলৈ লিখা শান্তিনিকেতনৰ চিঠি, বাউল দৰ্শনৰ প্ৰতি আকৰ্ষণ আৰু পৰৱৰ্তী সময়ত বাউলক লৈ তথ্য চিত্ৰ প্ৰস্তুতকৰণৰ বিষয়ে তেওঁ উল্লেখ কৰে। তেওঁ লগতে কটন কলেজত গণসংযোগ বিভাগৰ পাঠ্যক্ৰম শুভাৰম্ভ কৰাৰ প্ৰসংগ, গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰৱক্তা হিচাপে যোগদান, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্বাবিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগ মুকলি তথা উত্তৰপূবৰ প্ৰথমটো সামুহিক অনাতাঁৰ সেৱা জ্ঞান তৰংগৰ শুভাৰম্ভকে ধৰি বিভিন্ন অভিজ্ঞতাৰ বিষয়ে প্ৰকাশ কৰে। তদুপৰি নতুন দিল্লীত কমনৱেলথ অফ লাৰ্নিং শাখাত কৰ্মৰত অৱস্থাত বিভিন্ন দেশৰ সৈতে কাম কৰি লাভ কৰা অভূতপূৰ্ব স্মৃতিৰ বিষয়ে তেওঁ অৱগত কৰে। কটন কলেজত গণসংযোগৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ পাছত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে সান্নিধ্যৰ কথা তেওঁ এনেদৰে কয় –

বাইট

অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দলে এই খেলখনত জয়লাভ কৰি প্ৰতিযোগিতাত জয়ৰ ধাৰা অক্ষুন্ন ৰখাৰ চেষ্টা চলাব। দুয়োটা দলে বৰ্তমানলৈকে দুখনকৈ খেল খেলি ৪ পইণ্টকৈ অৰ্জন কৰিছে।

প্ৰতিযোগিতাত আজি ১১ বজাত মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া অন্য এখন খেলত ৱেষ্ট ইণ্ডিজ, নেপালৰ সন্মুখীন হ'ব। একেদৰে বিয়লি ৩ বজাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

যোৱানিশা আহমেদাবাদত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই এইডেন মাৰ্কৰামৰ অপৰাজিত ৮৬ ৰানৰ সহায়ত ১৭ অভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ চাৰিটা উইকেট দখল কৰা মাৰ্ক জেনছেনেক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দল আজি চিদনীত হ'বলগীয়া তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪৫ মিনিটত অনুষ্ঠিত হ'ব। শৃংখলাত হৰমন প্ৰীত কৌৰে ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব।

০০০০০০

**এদিনীয়া ভ্ৰমণ সূচীৰে অসমলৈ অহা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰাণত ELF সুবিধাৰ উদ্বোধন, গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতু উদ্বোধন আৰু খানাপাৰাত এটা ৰাজনৈতীক কাৰ্যসূচীত ভাগ লোৱাৰ বাতৰিক গুৱাহাটীৰ পৰা আজি প্ৰকাশিত আটাইকেইখন কাকতে আলোকচিত্ৰ সহ ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। অসম ৰাজ্যিক বিজেপিয়ে সামাজিক মাধ্যমত আপলোড কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ point blank ভিডিওৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাখিল কৰা আবেদনৰ উচ্চতম ন্যায়ালয়ে কাইলৈ শুনানি গ্ৰহণ কৰিব। এই বাতৰিটো The Assam Tribune আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ১৭ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে পুনৰ ১০০০ কোটি টকাৰ ঋণ লব। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে এন ডি এ পুনৰ শাসনলৈ আহিলে ব্ৰহ্মপুত্ৰ নদীত বিমান অৱতৰণ কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰা এটা মন্তব্যক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিএনপি নেতা তাৰেক ৰহমানে সোমবাৰে বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব লগীয়া অনুষ্ঠানলৈ প্ৰধান মন্ত্ৰী মোদীক আমন্ত্ৰণ জনোৱা হৈছে। এই বাতৰিটো আমাৰ অসম আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক তৰেন বড়োৰ দেহৰসানৰ বাতৰিটো প্ৰায় আটাইকেইখন কাকতে আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে।**

০০০০০০

নগাঁৱৰ বন্যপ্ৰাণী সংমণ্ডল তথা লাওখোৱা আৰু বুঢ়াচাপৰি অভয়াৰণ্য কৰ্তৃপক্ষৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত শিমলু উৎসৱৰ আজি সামৰণি পৰিব। ফাগুন অহাৰ লগে লগে ৰঙা শিমলুৱে অভয়াৰণ্যখন ৰঙীন কৰি তোলাৰ সময়তে এই উৎসৱৰ আয়োজন কৰা হৈছে। তৃতীয়বাৰৰ বাবে আয়োজিত এই উৎসৱে লাওখোৱা বুঢ়াচাপৰিৰ প্ৰাকৃতিক সৌন্দৰ্য্যক বিশ্ববাসীৰ মাজত চিনাকী কৰি দিয়াৰ লক্ষ্যৰে এই উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। স্থানীয় লোক আৰু পৰ্যটকৰ বাবে মাৰাথন আৰু চাইক্লিং প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। শিমলু উৎসৱৰ আনন্দ ল'বলৈ বহু পৰ্যটকৰ অভয়াৰণ্যখনলৈ আগমন হৈছে। বনবিভাগৰ কঠোৰ নিৰীক্ষণ আৰু উচ্ছেদ অভিযানৰ পাছতে লাওখোৱা আৰু বুঢ়াচাপৰিৰ জৈৱ বৈচিত্ৰ্য অধিক সমৃদ্ধ হ'ব বুলি বনবিভাগে আশা প্ৰকাশ কৰিছে।

০০০০০০

অহা ১৮ৰ পৰা ২১ ফেব্ৰুৱাৰীলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তৰ্জাতিক সাহিত্য মহোৎসৱ অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু ফ'ৰাম ফৰ কালচাৰ, আৰ্টছ্ আৰু লিটাৰেচৰৰ সহযোগত হ'বলগীয়া এই চাৰিদিনীয়া আন্তৰ্জাতিক সাহিত্য মহোৎসৱত দেশ-বিদেশৰ বিশিষ্ট সাহিত্যিক, গৱেষক, প্ৰকাশক আদিয়ে অংশগ্ৰহণ কৰিব। বিশ্ববিদ্যালয়ৰ প্ৰাংগণত ১৮ ফেব্ৰুৱাৰীত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত যশস্বী সাহিত্যিক য়েছে দৰ্জে ঠংছি মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই সাহিত্য মহোৎসৱত বিশ্ববিদ্যালয়ৰ ৬খন ভিন্ন মঞ্চত প্ৰায় ৭০ খন আলোচনা সত্ৰ, কৰ্মশালা, কথোকথন আৰু কবিতা পাঠ অনুষ্ঠিত হ'ব বুলি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ পৰমানন্দ ৰাজবংশীয়ে জনাইছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**